**ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ইং ১৮-০২-২০১৩ তাৰিখৰ নিৰ্দেশনা অনুযায়ী ক্ষুদ্ৰ ঋণ প্ৰদান কৰোতে ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেড্ -এ নিম্নলিখিত নিয়মাৱলী পালন কৰে-**

১) ঋণ আৱেদন পত্ৰ, ঋণৰ হিচাপ বহী (কাৰ্ড), ঋ ণৰ চুক্তি পত্ৰ আদি মাতৃভাষাত ( অসমীয়াত) হব।

২) ঋণ আৱেদন পত্ৰ, ঋণৰ হিচাপ বহী (কাৰ্ড), ঋণ-চুক্তি পত্ৰত ঋণৰ সুদ সম্পৰ্কে উল্লেখ থাকিব।

৩) আৱেদন পত্ৰৰ লগত জমা দিবলগীয়া নথি-পত্ৰৰ বিৱৰণ উল্লেখ থাকিব।

৪) ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডে ক্ষুদ্ৰ ঋণ দিওঁতে কোনো ধৰণৰ বন্ধকী বা গেৰান্টী নলয়।

৫) ঋণ আৱেদন পত্ৰ পোৱাৰ লগে লগে আৱেদন পত্ৰ স্বীকাৰ প্ৰাপ্তি ৰচিদ ঋণ লওঁতাক দিয়া হয় আৰু উল্লেখ থাকে যে আবেদন পত্ৰ পোৱাৰ ১৪ দিনৰ ভিতৰত ঋণ প্ৰদান কৰিব যদিহে সকলো নথি-পত্ৰ ঠিকমতে পোৱা হয়।

৬) ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে দিয়া নিৰ্দেশনা অনুযায়ী ঋণৰ বাবদ হোৱা খৰছ, বজাৰ সম্বন্ধীয় সকলো দিশ চাই-চিতি ঋণৰ সুদ, ঋণ প্ৰক্ৰিয়া মাচুল ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডৰ সঞ্চালক মণ্ডলীয়ে আৰু বীমা মাচুল বীমা কোম্পানীয়ে ধাৰ্য্য কৰে।

৭) সুদৰ হাৰ সলনি হলে ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডৰ ৱেবচাইতত দিয়াৰ উপৰিও ঋণ গ্ৰহণকাৰী সকলক কেন্দ্ৰ সভাত তৎক্ষানিকভাবে লিখিত জাননীৰ জৰিয়তে অৱগত কৰোৱা হয়।

৮) ঋণৰ বছৰি সুদৰ পৰিমান, পৰিশোধ কৰাৰ সময়সীমা, কিস্তি পৰিশোধৰ তাৰিখ, সময়, ঋণ মূল্যায়ন মাচুল,ঋণ লওঁতাৰ বছৰি আয়ৰ পৰিমান, অভিযোগৰ বাবে যোগাযোগ কৰিবৰ কাৰণে মোবাইল নং, সেৱা কৰ সহ বীমা কোম্পানীৰ মাচুল আদি ঋণ পৰিশোধ তালিকা, যৌথ দায়বদ্ধতা চুক্তি পত্ৰত উল্লেখ কৰা হয়। লগতে উল্লেখ থাকে যে, সময়মতে অপৰিশোধিত ঋণৰ ওপৰত কোনো ধৰণৰ জৰিমনা লোৱা নহয়।

৯) ঋণ অনুমোদন প্ৰাপ্তি পত্ৰত ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডৰ চৰ্তাৱলী মাতৃভাষাত (অসমীয়াত) লিপিবদ্ধ কৰি ঋণ লওঁতাক প্ৰদান কৰা হয়। উক্ত পত্ৰত সুদৰ হাৰ, ঋণৰ বাবদ বন্ধকী নোলোৱা, ঋণৰ উদ্দেশ্য, সেৱাকৰ সহ দিবলগীয়া বীমা মাচুল ঋণ পৰিশোধৰ সময়, যৌথ দায়বদ্ধতা আদি উল্লেখ কৰা হয়।

১০) সময়মতে ঋণ আদায় নিদিলে নতুবা নতুন ঋণ প্ৰদান কৰা পত্ৰত থকা নিয়ম উলঙঘা কৰিলে ঋণৰ দিবলগীয়া অৱশিষ্ট মূলধন একেলগে ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডে ঘূৰাই বিচাৰিব পাৰিব।

১১) ঋণ লওঁতাৰ অৱশিষ্ট থকা ঋণ আন ব্যক্তিৰ নামত বদলি কৰাৰ বাবে আৱেদন কৰিলে ১৪ দিনৰ ভিতৰত ঋণৰ চৰ্তৰ লগত ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডৰ নিয়ম অনুযায়ী সমাধান কৰা হয়।

১২) ঋণ ঘূৰাই অনাৰ ক্ষেত্ৰত ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডৰ তৰফৰ পৰা কোনো ধৰণৰ জোৰ-জুলুম অথবা ক্ষেত্ৰ কৰ্মীয়ে অসময়ত ঋণ গ্ৰহণকাৰীৰ ঘৰত গৈ হাৰাশাস্তি নকৰে। এই বিষয়ে ঋণ বিষয়া, শাখা পৰিচালক আৰু কোম্পানীৰ সকলো সদস্যকে প্ৰশিক্ষণ দিয়া হয়।

১৩) ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডে ঋণ লওঁতাৰ ব্যক্তিগত কথাত হাত নিদিয়ে আৰু তেওঁলোকৰ গোপনীয়তা ৰক্ষা কৰে।

১৪) ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডৰ সকলো কৰ্মচাৰীয়ে যাতে ঋণ লওঁতা বা তেওঁলোকৰ সম্বন্ধীয় সকলক ভাল ব্যৱহাৰ কৰে সেই বিষয়ে আগতীয়াকৈ প্ৰশিক্ষণ দিয়া হয়।

১৫) ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডে দুটা বা তাতোধিক অনুষ্ঠানৰ পৰা ঋণ লোৱা বা উভতাই দিব থকা ব্যক্তিক ঋণ নিদিয়ে। কেৱল এটা অনুষ্ঠানক দিব থকা ঋণৰ লগত ছত্ৰ ডেভেলপমেন্ট ফাইনেঞ্চ প্ৰাইভেট লিমিটেডে দিব খোজা ঋণ লগ লাগি (এক লাখ) টকাতকৈ বেচি হ'ব নোৱাৰে। ইয়াৰ উপৰিও গাঁওৰ বাসিন্দা হ'লে ঋণীৰ বছৰি আয় ১,০০,০০০ (এক লাখ) আৰু নগৰৰ বাসিন্দা হ'লে ১,৬০,০০০ (এক লাখ যাঠী হাজাৰ) টকাতকৈ বেচি হ'ব নোৱাৰিব।

১৫) ওপৰোক্ত ব্যৱস্থা সমূহ উন্নত কৰাৰ বাবে সঞ্চালক মণ্ডলীয়ে সময়ে সময়ে পদক্ষেপ হাতত ল'ব।